# **REGIONAL NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date : 01-12-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। সংসদৰ শীতকালীন অধিৱেশন ফলপ্ৰসূ হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আশা প্ৰকাশ।

২। আজিৰেপৰা দুদিনীয়াকৈ বি টি চি বিধায়িনী সভাৰ শীতকালীন অধিৱেশন।

৩। মিছন বসুন্ধৰাৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ৮ খন জিলাৰ ৬৬০ টা খিলঞ্জীয়া ভূমিহীন পৰিয়ালৰ ভূমি নিষ্পত্তিৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাৰ অনুমোদন।

*আৰু*

৪। অহা বছৰ চৌদি আৰৱত হ'বলগীয়া ১৭ বছৰ অনুৰ্ধ এ এফ চি এছিয়ান কাপৰ বাবে ভাৰতৰ যোগ্যতা অৰ্জন।

0000000

সংসদৰ শীতকালীন অধিবেশন আজি আৰম্ভ হৈছে। ১৯ দিন ধৰি চলিবলগীয়া এই অধিবেশনত ১৫ খন বৈঠক অনুষ্ঠিত হ'ব। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংসদৰ সকলো সদস্যই সুস্থ গণতান্ত্ৰিক পৰম্পৰা বজাই ৰাখি আলোচনাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ লগতে সংসদৰ শীতকালীন অধিৱেশন অৰ্থৱহ আৰু ফলপ্ৰসূ হ'ব বুলি আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অধিৱেশনৰ পূৰ্বে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে সংসদৰ শীতকালীন অধিৱেশন কেৱল এটা পৰম্পৰা নহয়, বৰং ই দেশক বিকাশৰ দিশে লৈ যোৱাৰ প্ৰচেষ্টাত ইন্ধন যোগায়। ভাৰতৰ অৰ্থনৈতিক বিকাশ এতিয়া উল্লেখনীয় শিখৰলৈ উন্নীত হৈছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে এই গতিয়ে দেশক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত আত্মবিশ্বাস প্ৰদান কৰিব।

বাইট

প্ৰধানমন্ত্ৰী মোদীয়ে শীতকালীন অধিৱেশনত ফলপ্ৰসূ আলোচনাত ভাগ ল'বলৈ সকলো দলকে আহ্বান জনায়। তেওঁ লগতে সংসদৰ সদস্যসকলে নতুন প্ৰজন্মৰ যুৱ সদস্যসকলক সুযোগ দিয়া উচিত বুলি মন্তব্য কৰে।

উল্লেখযোগ্য যে সংসদৰ শীতকালীন অধিবেশনত মুঠ ১৩ খন বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত ৰাষ্ট্ৰীয় ঘাইপথ সংশোধনী বিধেয়ক, পাৰমাণৱিক শক্তি বিধেয়ক, কৰ্প'ৰেট আইন সংশোধনী বিধেয়ক, বীমা আইন সংশোধনী বিধেয়ক আৰু ভাৰতৰ উচ্চ শিক্ষা আয়োগ বিধেয়ক ২০২৫ আছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত কেন্দ্ৰীয় শুল্ক সংশোধনী বিধেয়ক দাখিল কৰিব। তদুপৰি অধিবেশনত ২০২৫-২৬ বৰ্ষৰ বাবে প্ৰথম পৰ্যায়ৰ অনুদানৰ পৰিপূৰক দাবী সন্দৰ্ভত আলোচনা আৰু ভোটদান কৰা হ'ব।

0000000

বি টি চি বিধায়িনী সভাৰ দুদিনীয়া শীতকালীন অধিবেশন আজিৰে পৰা কোকৰাঝাৰৰ বড়োফা নগৰত থকা বিধায়িনী ভৱনত অনুষ্ঠিত হৈছে। অধ্যক্ষ ত্ৰিদিপ দৈমাৰীয়ে সদনৰ কাৰ্যক্ৰমণিকাৰ আৰম্ভণিৰ পাছতে প্ৰশ্নোত্তৰ কালৰ সূচনা কৰে। বিৰোধী দলৰ সদস্যসকলে বি টি আৰ চুক্তি, শিক্ষা, স্বাস্থ্য, ভূমি পট্টা প্ৰদানকে ধৰি কেইবাটাও বিষয়ক লৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰে। পূৰ্বে প্ৰতিনিধিত্ব নকৰা পাঁচটা জনগোষ্ঠীৰ পাঁচগৰাকী মনোনীত সদস্যই আজি বিধায়িনী সভাত শপত গ্ৰহণ কৰে। নৱনিযুক্ত উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰীয়ে আজি শপত গ্ৰহণ কৰে। বি টি চিৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে সদন পৰিচালনা নিয়ম ১৫১ৰ অধীনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে পৰিপূৰক দাবী মঞ্জুৰি দাখিল কৰে।

0000000

অসম মন্ত্রীসভাই কালি মিছন বসুন্ধৰাৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ধুবুৰী, গোৱালপাৰা, বঙাইগাঁও, শোণিতপুৰ, লখিমপুৰ, গোলাঘাট, নলবাৰী আৰু বৰপেটাত ৬৬০টা খিলঞ্জীয়া ভূমিহীন পৰিয়ালক চৰকাৰী ভূমি নিষ্পত্তিৰ ক্ষেত্ৰত অনুমোদন জনায়। মন্ত্ৰীসভাই শোণিতপুৰ, বৰপেটা আৰু গোলাঘাটত ৭১২টা খিলঞ্জীয়া পৰিয়ালক খাঁচ আৰু চিলিং উদ্বৃত্ত ভূমি নিষ্পত্তিৰ বাবেও অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেবিনেট বৈঠকৰ পাছত এই বিষয়ে প্ৰকাশ কৰে।

বাইট (চি এম)

মন্ত্ৰীসভাৰ বৈঠকত কালি ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত বিধানসভাত যোৱা শনিবাৰে মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদনৰ আলোচনাৰ বাবে অসম জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতি অৰ্থাৎ চি চি টি অ' এক আমন্ত্ৰণ জনোৱাৰো সিদ্ধান্ত লয়। প্ৰয়োজন সাপেক্ষে মুখ্যমন্ত্ৰীগৰাকী নিজেও জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সৈতে আলোচনাত মিলিত হ'ব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে।

মন্ত্ৰীসভাৰ বৈঠকত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানত কৰ্মৰত কৰ্মচাৰীৰ মৃত্যু হ'লে পূৰ্বৰ এককালীন সাহায্য ৫ লাখ টকাৰ পৰা চাৰে ৭ লাখ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইপিনে, ৰাজ্যত নতুনকৈ স্থাপন কৰা পাঁচখন মিনি আই টি আই - দুধনৈ, পাঠশালা, ৰঙিয়া, বিশ্বনাথ চাৰিআলি আৰু তিতাবৰত কৰ্মৰত কৰ্মচাৰীসকলৰ দৰমহা প্ৰায় ৩৫ শতাংশ বৃদ্ধিৰ সিদ্ধান্ততো মন্ত্ৰীসভাই অনুমোদন জনায়। মন্ত্ৰীসভাৰ বৈঠকত অহা ১০ ডিচেম্বৰত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত অসম আন্দোলনৰ ছহিদসকলৰ স্মৃতিত নিৰ্মাণ কৰা ছহিদ স্মাৰকৰ উদ্বোধন কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰা হয়। ১০ ডিচেম্বৰত ৰাজ্যৰ প্ৰতিখন জিলাতে ছহিদ দিৱসৰ কাৰ্যসূচীত এহেজাৰৰ পৰা ১০ হাজাৰ লোকৰ উপস্থিতিৰে 'ছহিদ প্ৰণামো তোমাক' শীৰ্ষক গীতটি পৰিৱেশন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০

আজি বিশ্ব এইডছ দিৱস। এইডছ সন্দৰ্ভত সমাজত ব্যাপক সজাগতা সৃষ্টিৰ লগতে এই ৰোগত মৃত্যু হোৱা লোকসকলৰ প্ৰতি সমবেদনা প্ৰকাশেৰে ১৯৮৮ চনৰ পৰা প্ৰতিবছৰে ১ ডিচেম্বৰৰ দিনটো বিশ্ব এইডছ দিৱস হিচাপে পালন কৰি অহা হৈছে। দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি বিশ্ব এইডছ দিৱস উপলক্ষে বিভিন্ন সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগ আৰু ৰাজ্য চৰকাৰৰ সহযোগত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কেন্দ্ৰীয়ভাৱে বিশ্ব এইডছ দিৱস পালনৰ আয়োজন কৰা হৈছে। এইবাৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে- **অন্তৰায় অতিক্ৰমী এইডছৰ বিৰুদ্ধে যুঁজ দিওঁ আহক**। আজিৰ কেন্দ্ৰীয় কাৰ্যসূচীত মন্ত্ৰী অশোক সিংহলৰ লগতে কেইবাগৰাকী বিশিষ্ট লোক উপস্থিত থাকিব। এইডছৰ পৰা নিজকে ৰক্ষা কৰাৰ লগতে সমাজত এইডছৰ সজাগতা বৃদ্ধি কৰি এইডছ নিৰ্মূল কৰাৰ বাবে প্ৰতিবছৰে এই অনুষ্ঠানৰ আয়োজন কৰা হয়।

ৰাজ্যৰ অন্যান্য প্ৰান্ততো বিভিন্ন স্বেচ্ছাসেৱী সংস্থা আৰু সংগঠনৰ উদ্যোগত এইডছ দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

০০০০০০০

সমাগত ৰাজ্য বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে আজিৰে পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হৈছে। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা হৈছে। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে। বিয়লি পাঁচ বাজি ১৫ মিনিট আৰু সন্ধিয়া ছয় বজাৰ বাতৰি এতিয়া পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব। প্ৰতি মঙলবাৰে এক বাজি ২০ মিনিটত প্ৰচাৰ কৰা প্ৰাসংগিকৰ উপৰি প্ৰতিদিনে বিয়লি তিনি বাজি পাঁচ মিনিটৰ পৰা তিনি বাজি ১৫ মিনিটলৈ প্ৰাসংগিক প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো প্ৰতিনিশা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ প্ৰচাৰ কৰা হ'ব। ইপিনে, প্ৰতি সোমবাৰে প্ৰচাৰিত ক্ৰীড়া বাৰ্তাৰ সময় পাঁচ মিনিট হ্ৰাস কৰা হৈছে। এই অনুসৰি আজিৰেপৰা সন্ধিয়া ৬ বাজি ৪০ মিনিটৰ পৰা ৬ বাজি ৪৫ মিনিটলৈ ক্ৰীড়া বাৰ্তা প্ৰচাৰ কৰা হ'ব।

০০০০০০০

আজি নাগালেণ্ডৰ ৬৩ সংখ্যক প্ৰতিষ্ঠা দিৱস। ১৯৬৩ চনৰ ১ ডিচেম্বৰত দেশৰ যোড়শ ৰাজ্য হিচাপে নাগালেণ্ড প্ৰতিষ্ঠা হৈছিল। কোহিমাত আজি মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ৰ উপস্থিতিত প্ৰতিষ্ঠা দিৱস উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ ১৯৬৩ চনৰ পৰা বৰ্তমানলৈকে ৰাজ্যখনৰ নেতাসকলৰ দূৰদৰ্শী নেতৃত্বক সোঁৱৰে। ৰাজ্যপালগৰাকীয়ে নাগালেণ্ডবাসীক শান্তি, উন্নয়ন তথা একতাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ হৈ সকলোকে ৰাজ্যখনৰ ভৱিষ্যত নিৰ্ণয় কৰাত অংশীদাৰ হ'বলৈ আহ্বান জনায়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নাগালেণ্ডৰ জনসাধাৰণক ৰাজ্যৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা জনাইছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে ৰাজ্যখন বৰ্ণাঢ্য সংস্কৃতি আৰু অযুত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ বুলি উল্লেখ কৰি কয়, যে ইয়াৰ জনজাতীয় বৈচিত্ৰ আৰু অনন্য ঐতিহ্য সদায় গৌৰৱৰ উৎস হৈ ৰ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নগা সংস্কৃতিত আলোকপাত কৰি এই সংস্কৃতি সেৱা, সাহসিকতা আৰু সহমৰ্মিতাৰে শিপাই থকা বুলি উল্লেখ কৰে।

০০০০০০০

আহমেদাবাদৰ একা এৰেনা ষ্টেডিয়ামত অনুষ্ঠিত পুৰুষৰ ১৭ বছৰ অনূৰ্ধ এ এফ চি এছিয়ান কাপ, ২০২৬-ৰ কোৱালিফায়াৰত ভাৰতে ইৰানক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰতে অহা বছৰ চৌদি আৰৱত হ'বলগীয়া ১৭ বছৰ অনূৰ্ধ এ এফ চি এছিয়ান কাপৰ বাবে যোগ্যতা অৰ্জন কৰিছে। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডঃ মনসুখ মন্দাৱিয়াই এই ঐতিহাসিক জয় তথা এছিয়ান কাপৰ যোগ্যতা অৰ্জনৰ বাবে ভাৰতীয় দলক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ডঃ মান্দাৱিয়াই খেলুৱৈসকলৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰি কয়, যে এই জয়ে যুৱ খেলুৱৈ আৰু তেওঁলোকৰ প্ৰশিক্ষকসকলৰ কঠোৰ পৰিশ্ৰম আৰু সমৰ্পণক প্ৰতিফলিত কৰে।

০০০০০০০

নাগালেণ্ডৰ কোহিমাৰ কিছামা গাঁৱত আজি ২৬ সংখ্যক হৰ্নবিল মহোৎসৱ আৰম্ভ হ'ব। এই ১০ দিনীয়া মহোৎসৱত ৰাজ্যখনৰ লোক কথা, শিল্প, খাদ্য সম্ভাৰ আদিৰ মাধ্যমেৰে বৰ্ণাঢ্য সংস্কৃতিক প্ৰদৰ্শন কৰা হ'ব। কিচামা গাঁৱৰ ইউনিটি প্লাজাত বিয়লি চাৰি বজাত উদ্বোধনী কাৰ্যসূচী অনুষ্ঠিত হ'ব। নাগালেণ্ডৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই বছৰ ব্ৰিটেইন আয়াৰলেণ্ড, ফ্ৰান্স, অষ্ট্ৰিয়া, মাল্টা আৰু ছুইজাৰলেণ্ডে সহযোগী দেশ হিচাপে আৰু অৰুণাচল প্ৰদেশে সহযোগী ৰাজ্য হিচাপে যোগদান কৰিব। প্ৰায় দুই দশক পূৰ্বে পৰ্যটনৰ পদক্ষেপ হিচাপে আৰম্ভ কৰা হৰ্নবিল মহোৎসৱ বৰ্তমান বিশ্বৰ অন্যতম আকৰ্ষণীয় সাংস্কৃতিক মহোৎসৱ হিচাপে পৰিগণিত হৈছে।

০০০০০০০

**সমাপ্ত**